# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***<u>Headlines</u>***

১। ড'নাল্ড ট্ৰাম্পে আজি আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰিব।

২। কোলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী যুৱতী চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ অপৰাধত আজি শিয়ালদহৰ এখন আদালতে অভিযুক্ত সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

৩। চুইজাৰলেণ্ডৰ দাভোছোত আজিৰে পৰা বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ ৫৫ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে।

৪। উত্তৰাখণ্ড মন্ত্ৰীসভাই ৰাজ্যখনত উমৈহতীয়া দেৱানী বিধি প্ৰস্তুতিত অনুমোদন জনাইছে। ***আৰু***

৫। মহিলা হকী ইণ্ডিয়া লীগত আজি ৰাঁচীৰ মৰাং গোমকে জয়পাল সিং মুণ্ডা ষ্টেডিয়ামত চলি থকা এখন খেলত জে এছ ডব্লিঅ' চুৰমা হকী ক্লাৱ-দেলহী এছ জি পাইপাৰ্ছৰ মুখামুখি হৈছে।

ooooo

ড'নাল্ড ট্ৰাম্পে আজি আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰিব। ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ৮ বজাত ৱাশ্বিংটনৰ কেপিটেল হিলত আমেৰিকাৰ মুখ্য ন্যায়াধীশ জন ৰবাৰ্টছে ৭৮ বছৰীয়া ড'নাল্ড জন ট্ৰাম্পক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰাব। অৱশ্যে বেয়া বতৰৰ আগজাননীৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠান ৱাশ্বিংটনৰ ৰতুনডা হলঘৰৰ ভিতৰত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে যোৱা বছৰৰ ৫ নৱেম্বৰত অনুষ্ঠিত নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পে তেওঁৰ প্ৰতিদ্বন্দ্বী কমলা হেৰিছক পৰাজিত কৰি দ্বিতীয় বাৰলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত বিশ্বৰ কেইবাগৰাকীও চৰকাৰ প্ৰধানে অংশগ্ৰহণ কৰিব। এইসকলৰ ভিতৰত আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলি, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং, হাংগেৰীৰ প্ৰধানমন্ত্ৰী ভিক্টৰ অৰ্বানো আছে। ভাৰতৰ হৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ এই শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। শপত গ্ৰহণ অনুষ্ঠানত বিশ্বৰ আগশাৰীৰ উদ্যোগপতি তথা টেচলাৰ স্বত্বাধিকাৰী এল'ন মাস্ক, এমাজনৰ স্বত্বাধিকাৰী জেফ বেজ'জ, ফে'চবুক বা মেটাৰ স্বত্বাধিকাৰী মাৰ্ক জুকাৰবাৰ্গ, এপ'ল'ৰ স্বত্বাধিকাৰী টিম কুকেও অংশগ্ৰহণ কৰিব। শপত গ্ৰহণ অনুষ্ঠানৰ পাছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে পৰম্পৰা অনুসৰি ৰাষ্ট্ৰক সম্বোধি ভাষণ দিব।

ooooo

যোৱা বছৰৰ ৯ আগষ্টত কোলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী যুৱতী চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ অপৰাধত আজি শিয়ালদহৰ এখন আদালতে অভিযুক্ত সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। শিয়ালদহৰ আদালতৰ বিচাৰক অনিৰ্বাণ দাসে অৱশ্যে এই অপৰাধক অতিশয় বিৰল বুলি গণ্য কৰিব নোৱাৰি বুলি ৰায় দিয়ে আৰু অভিযুক্ত ৰয়ক আমৃত্যু কাৰাবাসৰ নিৰ্দেশ দিয়ে। ভাৰতীয় ন্যায় সংহিতাৰ ৬৪, ৬৬

আৰু ১০৩ - এক্ট ধাৰাৰ অধীনত শনিবাৰে সঞ্জয় ৰায়ক আদালতে দোষী সাব্যস্ত কৰিছিল যদিও ৰায়দান আজিলৈ স্থগিত ৰাখিছিল। উল্লেখযোগ্য যে, দেশ কপোৱা এই যুৱতী চিকিৎসকগৰাকী যোৱা বছৰৰ ৯ আগষ্টৰ দিনা কৰ্তব্যৰত অৱস্থাত ধৰ্ষণৰ বলি হৈছিল আৰু তেওঁৰ মৃতদেহ চিকিৎসালয়খনৰ চেমিনাৰ কক্ষত উদ্ধাৰ কৰা হৈছিল। ১০ আগষ্টত কোলকাতা আৰক্ষীয়ে সেই হাস্পতালৰে স্বেচ্ছাসেৱক অভিযুক্ত সঞ্জয় ৰায়ক গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী কালত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী চৰকাৰৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যতে এই ঘটনাৰ প্ৰতিবাদ তীব্ৰতৰ হৈ উঠে আৰু কণিষ্ঠ চিকিৎসকসকলেও দীৰ্ঘদিন ধৰি অৱস্থান ধৰ্মঘট পালন কৰে। পশ্চিমবংগৰ চৰকাৰে এই ঘটনাৰ তদন্তৰ ভাৰ কেন্দ্ৰীয় অনুসন্ধান সংস্থা চিবিআইৰ ওপৰত ন্যস্ত কৰে। চিবিআইয়ে যোৱা ৯ নৱেম্বৰত অভিযুক্ত সঞ্জয় ৰায়ৰ বিৰুদ্ধে শিয়ালদহৰ আদালতত অভিযোগনামা দাখিল কৰে। ১১ নৱেম্বৰৰ পৰা গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ১৮ জানুৱাৰীত অভিযুক্ত সঞ্জয় ৰায়ক আদালতে দোষী সাব্যস্ত কৰে।

ooooo

চুইজাৰলেণ্ডৰ দাভোছোত আজিৰে পৰা বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ ৫৫ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে। বিশ্বৰ ১৩০ খন দেশৰ প্ৰায় ৩ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই অধিবেশনত বিশ্বৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰা, নতুন প্ৰযুক্তিৰ প্ৰয়োগ, সামাজিক আৰু অৰ্থনৈতিক সমতাৰ সৈতে বিকাশ সম্পৰ্কত আলোকপাত কৰা হ'ব। বিশ্বৰ ৩৫০ খন দেশৰ চৰকাৰ মুৰববীসকলে অংশগ্ৰহণ কৰিবলগীয়া এই অধিবেশনত তথ্য সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন ৰাও, জলশক্তি মন্ত্ৰী চি আৰ পাটিল, খাদ্য প্ৰসংস্কৰণ আৰু উদ্যোগমন্ত্ৰী চিৰাগ পাছৱানে ভাৰতক প্ৰতিনিধিত্ব কৰিব। এই অধিবেশনৰ পূৰ্বে বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া বৰ্জ ব্ৰেণ্ডে পৰৱৰ্তী বিত্তীয় বছৰত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৭ৰ পৰা ৮ শতাংশ হব বুলি আশা প্ৰকাশ কৰিছে।

ooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমা আজি অন্ত পৰিছে। ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে মুঠ ৭১৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। নতুন দিল্লী বিধানসভা আসনখনৰ বাবে সৰ্বাধিক ২৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। পেটেল নগৰ আৰু কস্তুৰবা নগৰৰ আসন দুখনৰ বাবে ৫ গৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াই জনোৱা মতে মুঠ এহেজাৰ ৫২২ খন মনোনয়ন পত্ৰৰ ভিতৰত ৪৭৭ খন মনোনয়ন বাতিল হয়। আজি কিমানগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিলে তাৰ সঠিক তথ্য সন্ধিয়াৰ পাছতহে লাভ কৰিব পৰা যাব। দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত ভোটগ্ৰহণ আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

ooooo

উত্তৰাখণ্ড মন্ত্ৰীসভাই ৰাজ্যখনত উমৈহতীয়া দেৱানী বিধি প্ৰস্তুতিত অনুমোদন জনাইছে। আজি দেৰাদুনত অনুষ্ঠিত ৰাজ্যমন্ত্ৰীসভাৰ বৈঠকৰ পাছত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে এই কথা প্ৰকাশ কৰি কয়, যে এই বিধি প্ৰস্তুত হৈ উঠিলে ৰাজ্যখনত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তন কৰা হ'ব আৰু ইয়াৰ ফলত এনে বিধি বলবৎ কৰা উত্তৰখণ্ড দেশৰ প্ৰথমখন ৰাজ্যৰূপে পৰিগণিত হ'ব। এই উমৈহতীয়া দেৱানী বিধি দেশৰ আন ৰাজ্যসমূহৰ বাবে আদৰ্শস্বৰূপ হ'ব বুলিও মুখ্যমন্ত্ৰী ধামিয়ে আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ নাগৰিকৰ

ব্যক্তিগত সম্বন্ধ একেধৰণৰ আইনী ব্যৱস্থাৰে পৰিচালিত হ'ব আৰু ইয়াৰ ফলত সমাজত ন্যায় আৰু একতাৰ ভাৱ বৃদ্ধি পাব।

০০০০০

জম্মু আৰু কাশ্মীৰৰ ৰজৌৰী জিলাৰ বাধালগাঁৱত যোৱা ৪৫ দিনত ৩ টা পৰিয়ালৰ ১৭ জন লোকৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গঠন কৰা আন্তঃমন্ত্ৰালয় উচ্চ পৰ্যায়ৰ দলটোৱে আজি অঞ্চলটো ভ্ৰমণ কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এগৰাকী সঞ্চালক পৰ্যায়ৰ বিষয়াৰ নেতৃত্বৰ এই দলটো কালি সন্ধিয়া ৰজৌৰীত উপস্থিত হয়। দুটা দলত বিভক্ত দলটোৰ প্ৰথমটো দলে আজি জিলাখনৰ উচ্চ পদস্থ আৰক্ষী, অসামৰিক প্ৰশাসন আৰু চিকিৎসা বিষয়াসকলৰ পৰা ঘটনাৰ বুজ লয়। আনটো দল বাধালগাঁৱত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে। উল্লেখযোগ্য যে, ৰজৌৰী জিলাৰ অতি আওহতীয়া এই গাঁৱখনত ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহৰ পৰা এতিয়ালৈকে ১৭ জন লোকৰ প্ৰাণ কাঢ়ি নিয়া এই ৰহস্যজনক ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এটা উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছিল।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **পথ সুৰক্ষা নিশ্চিতকৰণ** সন্দৰ্ভত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ৰ অতিৰিক্ত সচিব মেহমুদ আহমেদ আৰু পৰিবহণ বিশেষজ্ঞ অনিল চিকাৰাৰ সৈতে হোৱা এলানি বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পোৱা যাব।

০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডং মনসুখ মন্দাভিয়াই আজি কয়, যে অস্থায়ী কৰ্মীসকলোকে অতি শীঘ্ৰেই শ্ৰমিক সুৰক্ষাৰ অধীনত অনা হব। নতুন দিল্লীত অনুষ্ঠিত অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকলৰ বাবে আনুষ্ঠানিককৰণ আৰু সামাজিক সুৰক্ষা সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত ভাষণ দি ডং মন্দাভিয়াই এইদৰে জানিবলৈ দিয়ে। কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ শ্ৰমিকক সামাজিক সুৰক্ষা প্ৰদান কৰাত চৰকাৰে অগ্ৰাধিকাৰ দিব বুলি তেওঁ কয়।

০০০০০

মহিলা হকী ইণ্ডিয়া লীগত আজি ৰাঁছীৰ মৰাং গোমকে জয়পাল সিং মুণ্ডা ষ্টেডিয়ামত চলি থকা এখন খেলত জে এছ ডব্লিঅ' চুৰমা হকী ক্লাৱ-দেলহী এছ জি পাইপাৰ্ছৰ মুখামুখি হৈছে।

পুৰুষৰ শাখাত ৰুৰকেল্লাৰ বিৰচা মুণ্ডা হকী ষ্টেডিয়ামত আজি নিশা ৮ বাজি ১৫ মিনিটত হ্বলগীয়া আন এখন খেলত শ্ৰাছি ৰাঢ়হ বেংগল টাইগাৰ্ছ - জে এছ ডব্লিঅ' চুৰমা হকী ক্লাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

পুৰুষৰ হকীত বৰ্তমানলৈকে তামিলনাডু ড্ৰেগনছে ১৫ পইণ্টেৰে শীৰ্ষ স্থান দখল কৰিছে। হায়দৰাবাদ টুফান্স ১৩ পইণ্টেৰে দ্বিতীয় স্থানত আছে। মহিলা শাখাত ওড়িশা ৱাৰিয়ৰ্ছ ৮ পইণ্টেৰে শীৰ্ষ স্থানত আছে আৰু চুৰমা হকী ক্লাৱ ৬ পইণ্টেৰে দ্বিতীয় স্থানত আছে।

ৰুৰকেল্লা বিৰচা মুণ্ডা হকী ষ্টেডিয়ামত চলিত মাহৰ ২৮ তাৰিখৰ পৰা পুৰুষৰ প্ৰতিযোগিতাৰে আৰম্ভ হোৱা হকী ইণ্ডিয়া লীগ ১ ফেব্ৰুৱাৰীত অন্ত পৰিব। উল্লেখযোগ্য যে, এইবাৰ পোনপ্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতাত মহিলাৰ দল অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ